3 (Sem–2) ASM M 2

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

2 0 1 3

# ASSAMESE

( Major )

Paper : 2.2

**( Adhunik Asamiya Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) কোন চনত ‘অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা’ৰ জন্ম হৈছিল ?

(খ) ‘যুদ্ধক্ষেত্ৰত আহোম ৰমণী’ কাব্যখনি কাৰ ৰচনা ?

(গ) অসমীয়া চতুৰ্দশপদী কবিতা বা চনেটৰ জন্মদাতা কোন ?

(ঘ) ‘বান্দৰ’ নামৰ কবিতাটি কাৰ ৰচনা ?

(ঙ) কোনগৰাকী কবিৰ কবিতাত ‘নাটকীয় একোক্তি’ৰ (dramatic monologue) প্ৰয়োগ দেখা যায় ?

(চ) 'অৰুন্ধতীৰ কবি' ৰূপে খ্যাত কবিগৰাকী কোন?

(ছ) কোনখন পুথিৰ বাবে যতীন্দ্রনাথ দুৱৰাই সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(জ) 'সুদীৰ্ঘ দিন আৰু ঋতু' গ্ৰন্থখন কোনে ৰচনা কৰে?

(ঝ) কোনগৰাকী অসমীয়া কবিক কালিদাস আৰু ৱৰ্ডছৱৰ্থৰ লগত তুলনা কৰা হয়?

(ঞ) 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলি কবিতা ৰচনা কৰা কবিগৰাকী কোন?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'জোনাকী' কোন চনত প্ৰকাশ পাইছিল আৰু ইয়াৰ প্ৰথমগৰাকী সম্পাদক কোন আছিল?

(খ) প্ৰগতিবাদী ভাৱধাৰা প্ৰকাশ পোৱা দুটা কবিতাৰ নাম লিখা।

(গ) মুক্তক ছন্দৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) বিপ্লৱ বা বিদ্ৰোহৰ সুৰ থকা দুগৰাকী অসমীয়া কবিৰ নাম উল্লেখ কৰা।

(ঙ) সাহিত্য অকাডেমি বঁটা লাভ কৰা দুখন কাব্যপুথি কবিৰ নামসহ উল্লেখ কৰা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'মমতাৰ চিঠি' কবিতাটিৰ শেষৰ স্তৱকটোত উল্লেখিত "পুনঃ এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল। আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি জগিছে। এটা শুধ বগা আৰু আনটো পখৰা।" কথাখিনিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) কবি নীলমণি ফুকনৰ কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

(গ) 'পৰম তৃষ্ণা' শিৰোনামত জড়িত হৈ থকা তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) "আজি এই জোনালী ৰাতিত
নাওখনি মেলি দিলোঁ মই,
লুইতৰ সুদূৰ সিপাৰে
সোণোৱালী সেই দেশ ল'ই।"

এই সোণোৱালী দেশৰ স্বৰূপ সম্বন্ধে তোমাৰ ধাৰণা ব্যক্ত কৰা।

(ঙ) অসমীয়া কাব্য-সাহিত্যলৈ হিতেশ্বৰ বৰুৱাৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(চ) প্ৰেমৰ কবি হিচাপে দেৱকান্ত বৰুৱাৰ এটি পৰিচয় দিয়া।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) নৱকান্ত বৰুৱাই 'পলস' কবিতাটিত অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ চিত্ৰ কেনেদৰে অঙ্কন কৰিছে, কবিতাটিৰ পৰা উদ্ধৃতিসহ ব্যাখ্যা কৰা।

(খ) আধুনিক কাব্যৰীতিৰ প্ৰৱৰ্তক হিচাপে হেম বৰুৱাৰ কবিতাৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(গ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কাব্যপুথি কেইটা তৰঙ্গত বিভক্ত? প্ৰথম তৰঙ্গটোত কবি-কল্পনা কেনেদৰে মূৰ্ত হৈ উঠিছে তাৰ বিৱৰণ দিয়া।

(ঘ) "শেৱালিৰ কবিৰূপে খ্যাতি লাভ কৰা ৰত্নকান্ত বৰকাকতী মুখ্যতঃ প্ৰেমৰ কবি। এই প্ৰেম কেতিয়াবা সম্পূৰ্ণ মানৱীয়, কেতিয়াবা মানৱীয় স্তৰ পাৰ হৈ অতীন্দ্ৰিয় পৰ্যায়লৈ উন্নিত হৈছে।" এই মন্তব্যৰ সত্যাসত্য নিৰূপণ কৰা।

(ঙ) দেৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশৰীতিলৈ কি কি নতুনত্ব আনিলে, বিশ্লেষণ কৰা।

(চ) আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্পই কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰি আছে, তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত কবিতাৰ যোগেদি এটি আলোচনা আগবঢ়োৱা।

(ছ) ৰাম গগৈৰ 'নদী' কবিতাটিত মানুহৰ লগত নদীৰ সম্পৰ্ক কেনেদৰে ব্যাখ্যা কৰিছে, উদাহৰণসহ আলোচনা কৰা।

★★★